**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰে। **আৰু**

৪। পেৰিছত অনুষ্ঠিত পেৰালিম্পিকছৰ চতুৰ্থ দিনা ভাৰতৰ নিশাদ কুমাৰে পুৰুষৰ হাই জাম্পৰ T47 শিতানত ৰূপৰ পদক লাভ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সাফল্যৰ বাবে তেওঁক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত পূবৰ দায়িত্বত থকা সচিব জয়দ্বীপ মজুমদাৰে ভাৰতীয় প্ৰধানমন্ত্ৰীৰ এয়াই প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰী মজুমদাৰে কয় যে, ভাৰত এক্ট-ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ব্ৰুনেই এটা গুৰুত্বপূৰ্ণ অংশীদাৰ। শ্ৰী মজুমদাৰে কয় যে ব্ৰুনেইৰ ছুলতান হাজী হাছানল বল্কিয়াৰ নিমন্ত্ৰণমৰ্মে শ্ৰী মোদী ৩ আৰু ৪ ছেপ্তেম্বৰত দেশখন ভ্ৰমণ কৰিব। তেওঁ কয় যে, ব্ৰুনেইৰ ছুলতানগৰাকীয়ে ১৯৯২ আৰু ২০০৮ চনত ভাৰত ভ্ৰমণ কৰিছিল আৰু ২০১২ আৰু ২০১৮ চনত দক্ষিণ পূব এছিয়াৰ ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতলৈ আহিছিল। এই ভ্ৰমণকালত ব্ৰুনেইৰ সৈতে নতুন সহযোগিতা তথা সম্পৰ্কৰ বাবেপ্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। ভাৰতে ব্ৰুনেইৰ সৈতে এটা বন্ধুত্বপূৰ্ণ আৰু সৌহাদ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখিছে। দেশখনৰ সৈতে প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি, স্বাস্থ্য সামৰ্থ বৃদ্ধি, সংস্কৃতি আৰু জনসাধাৰণৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক বৰ্তাই ৰাখিছে। শ্ৰী মজুমদাৰে কয় যে, ব্ৰুনেইত ১৪ হাজাৰৰো অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোক আছে। চিকিৎসক, শিক্ষক আদি বৃত্তিৰে ভাৰতীয়সকলে ব্ৰুনেইৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ দিশত অৱদান আগবঢ়াই আহিছে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেন্স ৱঙৰ আমন্ত্ৰণমৰ্মে ৪ আৰু ৫ ছেপ্তেম্বৰত ছিংগাপুৰ ভ্ৰমণ কৰিব। নেতা দুয়োগৰাকী আৰু ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতা আৰু আঞ্চলিক আৰু গোলকীয় পাৰস্পৰিক বিষয়সমূহৰ সন্দৰ্ভত মত বিনিময় কৰিব। শ্ৰী

মজুমদাৰে কয় যে, প্ৰায় ৬ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ ছিংগাপুৰ ভ্ৰমণ কৰিব। তেওঁ লগতে কয় যে, ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী হিচাপে লৰেন্স ৱঙে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখন ভ্ৰমণ কৰিব। তেওঁ কয় যে, এয়া হৈছে ভাৰতৰ আৰু ছিংগাপুৰৰ সম্বন্ধত নতুন মাত্ৰা প্ৰদান কৰাৰ এটা সুযোগ। আছিয়ান দেশসমূহৰ ভিতৰত ছিংগাপুৰ হৈছে ভাৰতৰ বৃহৎ বাণিজ্যিক অংশীদাৰ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উৎস।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব। বিজেপিয়ে নতুন সদস্য ভৰ্তি আৰু দলটোৰ বৰ্তমানৰ সদস্যসকলক পুনৰ নবীকৰণ কৰাৰ লক্ষ্যৰে এই অভিযান হাতত লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলত তেওঁৰ সদস্য নবীকৰণৰ বাবে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ পৰা প্ৰমাণ-পত্ৰ গ্ৰহণ কৰিব। আজিৰ পৰা অহা ১০ নৱেম্বৰলৈকে বিভিন্ন পৰ্যায়ত এই অভিযান চলোৱা হ'ব। সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্যায় অহা ২৫ ছেপ্তেম্বৰত সামৰণি পৰিব। আমাৰ সংবাদদাতাই জানিবলৈ দিছে যে ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশত কমেও ১০ কোটি নতুন সদস্য ভৰ্তিৰ অভিযানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। জনসাধাৰণে মিছড কল অথবা দলৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল মঞ্চৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে এক লাখ নিযুক্তি প্ৰদান কৰিবলৈ সক্ষম হ'ল। আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, আজি নিযুক্তি দিয়া শিক্ষকসকলক ধৰি বৰ্তমান ৰাজ্য চৰকাৰে নিযুক্তি দিয়া পদৰ সংখ্যা এক লাখ ৩৮৯টা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ২০২১ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰে নিযুক্তি দিয়া কৰ্মচাৰীসকলক ধৰি বৰ্তমান ৰাজ্যত চৰকাৰী কৰ্মচাৰীৰ সংখ্যা এক লাখ ৩৪ হাজাৰ ৩৪৫ গৰাকী। অনুষ্ঠানত ভাষণ প্ৰসংগত ড০ শৰ্মাই স্বাধীনতাৰ পাছত ৰাজ্যত কোনো এখন চৰকাৰেই এক লাখ নিযুক্তি দিবলৈ সক্ষম হোৱা নাছিল বুলি মন্তব্য কৰি তেওঁ কয় যে, বৰ্তমানৰ ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি আজি এক লাখ নিযুক্তি সম্পূৰ্ণ হ'ল সেয়েহে আজি ৰাজ্যখনৰ যুৱক-যুৱতীলৈ তেওঁ অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বৰ্তমান চৰকাৰৰ অধীনত কোনো ধৰণৰ উৎকোচ নিদিয়াকৈয়ে যোগ্যতা ভিত্তিত যুৱক-যুৱতীসকলে চাকৰি লাভ কৰাটো সম্ভৱ হৈ উঠিছে বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অহা বছৰৰ ভিতৰত ৰাজ্যত আৰু ৫০ হাজাৰ চৰকাৰী নিযুক্তি দিয়া হ'ব বুলিও অৱগত কৰে। ৰাজ্যৰ শিক্ষা বিভাগ, আৰক্ষী বিভাগ আদিত এই নিযুক্তি প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

আজি নিযুক্তি লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ আপত্তি দাখিলৰ বাবে আজিৰ পৰা অহা ৮ ছেপ্তেম্বৰলৈকে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প'ৰ্টেল dee.assam.gov.in মুকলি কৰিব বুলি ঘোষণা কৰিছে। তদুপৰি নথিপত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাৰণত আবেদন স্থগিত ৰখা ৮৩৪ জন প্ৰাৰ্থীয়ে প'ৰ্টেলত থকা লিংকত ওজৰ আপত্তিৰ লগতে নথিপত্ৰ দাখিল কৰিব পাৰিব। চূড়ান্ত বাছনি তালিকাত স্থান লাভ কৰা শিক্ষকসকলৰ নিযুক্তিপত্ৰ জিলা আৰু বিদ্যালয়ৰ নামৰ ক্ষেত্ৰত

কিবা অমিল ধৰা পৰিলে সেই অভিযোগো প’ৰ্টেলত সন্নিবিষ্ট হৈ থকা লিংকৰ জৰিয়তে দাখিল কৰিব পাৰিব। প্ৰতিটো ওজৰ আপত্তিৰ বিপৰীতে সমৰ্থিত নথিপত্ৰ দাখিল কৰিব লাগিব। প’ৰ্টেলৰ জৰিয়তে দাখিল কৰা নথিপত্ৰসমূহ পৰীক্ষা কৰি যোগ্য প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ’ব।

০০০০০০০

গাজাত পণবন্দী হৈ থকা লোকসকল সুকলমে ঘূৰি আহিবৰ বাবে প্ৰধানমন্ত্ৰী বেঞ্জামিন নেত্যানয়াহুৱে হামাছৰ সৈতে যুদ্ধবিৰতি কৰাৰ দাবীত কালি সমগ্ৰ ইজৰাইলতে হাজাৰৰো অধিক লোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে পণবন্দী হৈ থকা ছজন লোকৰ উদ্ধাৰ কৰা বুলি কালি পুৱা ঘোষণা কৰাৰ পাছত এই প্ৰতিবাদ আৰম্ভ হয়। ৰাতিলৈকে প্ৰতিবাদকাৰীসকলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। টেল আভিভত থকা ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহৰ মুখ্য কাৰ্যালয় থকা কিৰিয়া সামৰিক ছাউনীৰ বাহিৰত ভালেমান প্ৰতিবাদকাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদৰ সময়ত দেশখনৰ সংগ্ৰহালয়, বিশ্ববিদ্যালয়, ৰেষ্টুৰেণ্ট, চিনেমাগৃহ আদিকে ধৰি ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ থাকে। শ্ৰমিক নেতাসকলে এদিনৰ বাবে আজি দেশখনত প্ৰতিবাদৰ আহ্বান জনাইছে।

০০০০০০০

মণিপুৰৰ পশ্চিম ইম্ফলত কালি কুকি উগ্ৰপন্থীয়ে ড্ৰোন, বোমা আৰু অত্যাধুনিক অস্ত্ৰৰে কৌট্ৰুক গাঁৱৰ লোকসকলক আক্ৰমণ কৰাৰ ফলত এগৰাকী ৩১ বছৰীয়া মহিলাসহ দুগৰাকী লোক নিহত হয়। আৰক্ষীয়ে জনোৱা মতে, আক্ৰমণত গুলীৰ আঘাতত গাংবাম চুৰবালা নামৰ মহিলাগৰাকীৰ মৃত্যু হয়। আহত হোৱা লোকসকলৰ ভিতৰত মহিলাগৰাকীৰ ৮ বছৰীয়া কন্যা আৰু দুগৰাকী আৰক্ষী জোৱানো আছে। গৃহ বিভাগে জনোৱা মতে কুকি উগ্ৰপন্থীয়ে নিৰস্ত্ৰ গাঁওবাসীৰ মাজত ব্যাপক ধবংসৰ সৃষ্টি কৰা এনে কাৰ্যক ৰাজ্য চৰকাৰে শান্তি প্ৰতিষ্ঠা কৰিবলৈ লোৱা প্ৰচেষ্টাক ৰে’লপথৰ পৰা নমাই অনাৰ প্ৰয়াস হিচাপে গণ্য কৰা হৈছে।

০০০০০০০

ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাত পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুঁটীটো পৰাস্ত হয়। দ্বিতীয় বাছনিপ্ৰাপ্ত ভাৰতৰ বোপন্না-এবডেন যুটী ষষ্ঠদশ বাছনিৰ আৰ্জেণ্টিনাৰ মেক্সিম গ’ঞ্জালেজ আৰু এণ্ড্ৰেছ মলি[illegible]নিৰ হাতত ১-৬, ৫-৭ ছেটত পৰাস্ত হয়। সুমিত নাগল পুৰুষৰ ছিংগলছৰ প্ৰাৰম্ভিক ৰাউণ্ডৰ পৰা বাহিৰ হয়। আনহাতে য়ুকি ভাম্ব্ৰী আৰু এন শ্ৰীৰাম বালাজীয়ে পুৰুষৰ ডাবলছৰ বিভিন্ন পৰ্যায়ত পৰাজয় বৰণ কৰে। ইফালে ভাৰতৰ ৰোহন বোপন্না আৰু ইন্দোনেছিয়াৰ এলডিলা ছুটজিয়াদি যুঁটীয়ে প্ৰতিযোগিতাৰ মিক্সড ডাবলছ শাখাত আশা সজীৱ কৰি ৰাখিছে।

০০০০০০০

পেৰিছত অনুষ্ঠিত পেৰালিম্পিকছৰ চতুৰ্থ দিনা ভাৰতৰ নিশাদ কুমাৰে পুৰুষৰ হাই জাম্পৰ T47 শিতানত ৰূপৰ পদক লাভ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমৰ এটা প’ষ্টত নিশাদ কুমাৰক ৰূপৰ পদক অৰ্জন কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ সমগ্ৰ দেশৰ খেলুৱৈসকলৰ বাবে নিশাদ কুমাৰ অনুপ্ৰেৰণা বুলি অভিহিত কৰে। ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা প’ষ্টত

খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰি তেওঁৰ একাগ্ৰতা আৰু দৃঢ়তাত প্ৰশংসা কৰাৰ লগতে খেলুৱৈগৰাকীৰ সাফল্যৰ বাবে সমগ্ৰ দেশ গৌৰৱান্বিত বুলি মন্তব্য কৰিছে।

আনহাতে কালি মহিলাৰ ২০০ মিটাৰ T35 শিতানত প্ৰীতি পালে ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতৰ পেৰা শ্বাটলাৰ থুলাচিমাথি মুৰুগেছানে বেডমিণ্টনৰ SU-5 শিতানৰ ছেমি ফাইনেলত মনিষা ৰমাদাসক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। শীৰ্ষ বাছনিৰ তামিলনাডুৰ মুৰুগেছানে যোৱা নিশা অনুষ্ঠিত ছেমি ফাইনেলত প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ২৩-২১, ২১-১৭ ছেটত জয়ী হয়। এই জয়েৰে মুৰুগেছানে কমেও ভাৰতৰ পদকৰ তালিকাত কমেও এটা ৰূপৰ পদক নিশ্চিত কৰিছে। প্ৰতিযোগিতাৰ ফাইনেলত তেওঁ চীনৰ য়াং কুইজিয়াৰ মুখামুখি হ'ব। ছেমি ফাইনেলত পৰাস্ত হোৱাৰ পাছত মনিষা ৰামাদাসে ব্ৰঞ্জৰ পদকৰ বাবে ডেনমাৰ্কৰ কেথ্ৰিন ৰ'জেনগ্ৰেনৰ বিৰুদ্ধে খেলিব। ভাৰতৰ বিশ্বৰ শীৰ্ষ স্থানৰ পেৰা আৰ্চাৰ ৰাকেশ কুমাৰে সামান্য ব্যৱধানৰ বাবে পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাত ব্ৰঞ্জৰ পদক লাভ কৰাৰ পৰা বঞ্চিত হয়। খেলুৱৈগৰাকীয়ে সুন্দৰ আৰম্ভণি কৰিছিল যদিও চীনৰ প্ৰতিদ্বন্দ্বী হী জিৱাওৰ হাতত ১৪৭-১৪৬ পইণ্টৰ ব্যৱধানত পৰাস্ত হয়।

প্ৰতিযোগিতাত ভাৰতে এইপৰ্যন্ত এটা সোণ, দুটা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদকসহ মুঠ ৭টা পদক লাভ কৰিছে।

০০০০০০০

সমাপ্ত